# অষ্টম শ্ৰেণী | বিজ্ঞান

Under CSR Support by ipca | Foundation missiongyan LET'S LEARN TOGETHER

## অধ্যায় - ১ | শস্য উৎপাদন আৰু ব্যৱস্থাপনা

**QUIZ-01**

**1. একেধৰণৰ উদ্ভিদ একেলগে খেতি কৰিলে তাক কি বোলা হয়?**
A. শস্য
B. ফল-মূল
C. খবৰফ
D. ঋতু
**Answer: A**
**Explanation:** একে ধৰণৰ উদ্ভিদ একেলগে খেতি কৰিলে তাক শস্য বোলা হয়।

**2. খাৰিফ শস্য কেতিয়াৰ খেতি কৰা হয় ?**
A. শীতকালত
B. বসন্তকালত
C. বৰ্ষাকালত
D. গ্ৰীষ্মকালত
**Answer: C**
**Explanation:** খাৰিফ শস্য বৰ্ষাকালত (জুনৰ পৰা ছেপ্তেম্বৰ) খেতি কৰা হয়। উদাহৰণ ধান, মাকাই, কপাহ আদি।

**3. ৰবি শস্যৰ উদাহৰণ কোনটো?**
A. ধান
B. মটৰশুটি
C. কপাহ
D. বাদাম
**Answer: B**
**Explanation:** ৰবি শস্য শীতকালত খেতি কৰা হয়। উদাহৰণ – গম, বুট, মটৰশুটি, সৰিষ আদিৰ।

**4. মাটিৰ চহোৱাৰ মুখ্য কাৰণ কি?**
A. পানী সঞ্চয় কৰিবলে
B. চাৰা উৎপাদন কৰিবলে
C. মাটিত বায়ু চলাচল আৰু জৈৱ পদাৰ্থৰ সহজলভ্যতা বৃদ্ধি কৰিবলে
D. সস্তা কৃষিকৰ্ম কৰিবলে
**Answer: C**
**Explanation:** মাটিৰ চহা কৰিলে বায়ু চলাচল সহজ হয় আৰু জৈৱ পদাৰ্থ মাটিত সহজে মিলি যায়, যাৰ ফলত উদ্ভিদৰ বৃদ্ধিত সহায় হয়।

**5. খেতিপথাৰত সৰ্বাধিক ব্যৱহাৰ হোৱা ঐতিহ্যমণ্ডিত সঁজুলি কোনটো?**
A. আধুনিক হ'ল
B. যান্ত্ৰিক হাল
C. হাল
D. ট্ৰেক্টৰ
**Answer: C**
**Explanation:** হাল হৈছে ঐতিহ্যমণ্ডিত কৃষি সঁজুলি, যাৰ সহায়ত মাটিৰ চহা, অপতৃণ আঁতৰোৱা আৰু বীজ ৰোপণৰ সুবিধা হয়।

**6. জৈৱসাৰ কেনেদৰে প্ৰস্তুত হয়?**
A. কাৰখানাত ৰাসায়নিক প্ৰক্ৰিয়াৰে
B. উদ্ভিদ আৰু পশুজনিত আবৰ্জনা পচাই
C. ধানৰ কুঁহিৰে
D. পানী শোধন কৰি
**Answer: B**
**Explanation:** উদ্ভিদ আৰু পশুৰ আবৰ্জনা মাটিত পচাই দিলে জৈৱসাৰ উৎপাদন হয়।

**7. অধিক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিলে কি সমস্যাৰ সৃষ্টি হয়?**
A. মাটিৰ উৰ্বৰতা হ্ৰাস পায়
B. উৎপাদন বৃদ্ধি পায়
C. পানীৰ আৱশ্যকতা কমে
D. উৎপাদন হ্ৰাস হয়
**Answer: A**
**Explanation:** অধিক ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিলে মাটিৰ উৰ্বৰতা হ্ৰাস পায় আৰু পানীও প্ৰদূষিত হয়।

**8. সৰ্বোতম আধুনিক কৃষি ব্যৱস্থা কোনটো ?**
A. ঠেলা পদ্ধতি
B. ৰাহট পদ্ধতি
C. পানী ছটিওৱা ব্যৱস্থা (Sprinkler System)
D. লাঢ়নী পদ্ধতি
**Answer: C**
**Explanation:** আধুনিক কৃষি ব্যৱস্থাত পানী ছটিওৱা ব্যৱস্থা ব্যৱহাৰ কৰা হয়, যি পানীৰ অপব্যয় কমায় আৰু বিভিন্ন শস্যৰ বাবে উপযোগী।

**9. অপতৃণ আঁতৰোৱাৰ বাবে কেতিয়া সৰ্বোত্তম সময়?**
A. শস্য ৰোপণৰ পূৰ্বে
B. অপতৃণই ফুল ফুলাবৰ আগতে
C. শস্যৰ ফচল কাটাৰ পিছত
D. শস্য শুকালৈকে ৰখা
**Answer: B**
**Explanation:** ফুল ফুলাবৰ আগতে আঁতৰালে সিহঁতে বীজ উৎপাদন কৰিব নোৱাৰে, ফলত অপতৃণ বাঢ়ি উঠিব নোৱাৰে।

**10. কম্বাইন মেচিনৰ সহায়ত কোন কাম একেলগে কৰা যায়?**
A. কৃষি আৰু চহা
B. অপতৃণ আঁতৰোৱা আৰু শস্য শুকোৱা
C. চপাওঁ আৰু মৰণা মৰা
D. বীজ ৰোপণ আৰু সাৰ প্ৰয়োগ
**Answer: C**
**Explanation:** কম্বাইন মেচিনৰ সহায়ত শস্য কটা (Harvesting) আৰু মৰণা মৰা (Threshing) দুয়োটা কাম একেলগে কৰা হয়।

মিশন জ্ঞান
জব চাহে, জহাঁ চাহে, জৈসে চাহে!
100% FREE!
Video COURSES | QUIZ | TEST SERIES
Download Mission Gyan App
DOWNLOAD MISSION GYAN APP